# কলচীয়াবিলাকৰ প্ৰতি পত্ৰ

১ ১ঈশ্বৰ ইচ্ছা অনুসৰি যীচু খ্ৰীষ্টৰ দ্বাৰা নিযুক্ত পাঁচনি আৰু আমাৰ ভাই তীমথিয়ৰ পৰা। ২খ্ৰীষ্টত বিশ্বাসী কলচীয়াত থকা বিশ্বাসী ভাই আৰু সাধু সকলৰ সমীপলৈ: আমাৰ পৰম পিতৃ ঈশ্বৰৰ পৰা তোমালোকলৈ অনুগ্ৰহ আৰু শান্তি হওক। ৩আমি তোমালোকৰ নিমিৰ্ত্তে প্ৰাৰ্থনা কৰি সদায় আমাৰ প্ৰভূ যীচু খ্ৰীষ্টৰ পৰম পিতৃ ঈশ্বৰৰ ধন্যবাদ কৰো। ৪কিয়নো আমি খ্ৰীষ্ট যীচুত থকা তোমালোকৰ বিশ্বাস আৰু সকলো সাধুসকলৰ প্ৰতি থকা তোমালোকৰ প্ৰেমৰ বিষয়ে শুনিলো। ৫এইটো সেই আশাৰ কাৰণে হৈছে, যি আশাৰ কাৰণে তোমালোকে প্ৰথমে শুভ-সংবাদ অৰ্থাৎ শুভবাৰ্তা সত্য বাক্য শুনিলা। ৬শুভবাৰ্তা সকলো জগততে সফলতাৰে উপস্থিত হৈ আছে। যিদৰে তোমালোকে ঈশ্বৰৰ অনুগ্ৰহ শুনি সঁচাকৈ গ্ৰহণ কৰিলা তেনেদৰে এই শুভবাৰ্তা সকলোতে সফলতাপূৰ্ণ বৃদ্ধি হৈ আছে। ৭এই বিষয়ে আমাৰ প্ৰিয় সহ দাস ইপাফ্ৰাৰ পৰা তোমালোকে শিক্ষা পালা, যিজন আমাৰ বাবে খ্ৰীষ্টৰ সেৱক। ৮আত্মাৰ দ্বাৰা উৎসাহী যি তোমালোকৰ প্ৰেম তাৰ বিষয়ে তেওঁই আমাক জনালে। ৯সেইয়ে যি দিনাৰ পৰা আমি তাৰ বিষয়ে শুনিলো সেই দিনাৰে পৰা আমি তোমালোকৰ বাবে প্ৰাৰ্থনা কৰিবলৈ নেৰি, ঈশ্বৰৰ সকলো প্ৰকাৰৰ তত্ব-জ্ঞানত তোমালোক যেন বৃদ্ধি প্ৰাপ্ত হোৱা আৰু তোমালোকে যে বুদ্ধিও পোৱা। ১০যাতে প্ৰভূৰে বিচৰা দৰে জীয়াই থাকিব পাৰা। সকলো প্ৰকাৰে যেন তোমালোকে প্ৰভূক সন্তুষ্ট কৰিব পৰা, সকলো সৎকৰ্মত যেন সফলতা পোৱা, তোমালোকৰ জীৱনত সৎকৰ্মৰে ফলৱন্ত হৈ ঈশ্বৰৰ তত্ব-জ্ঞানত নিৰন্তৰে যেন বৃদ্ধি হোৱা। ১১তেওঁ তোমালোকক নিজৰ মহিমাপূৰ্ণ শক্তিৰে সমৃদ্ধি কৰক যাতে সংকটকালত সম্পৰ্ণ চিৰসহিষ্ণুতাতে সহন কৰিব পাৰা এনে যচনা কৰো। ১২তোমালোকে সেই ঈশ্বৰৰ ধন্যবাদ কৰা, যিজনে সাধুসকলৰ পোৰহৰত থকা যি অধিকাৰ, সেই অধিকাৰৰ সহভাগী হবলৈ আমাক যোগ্য কৰিলে। ১৩ঈশ্বৰে আমাক আন্ধাৰৰ শক্তিৰ পৰা উদ্ধাৰ কৰিলে আৰু নিজৰ প্ৰিয় পুত্ৰৰ ৰাজ্যলৈ আমাক স্থানান্তৰিত কৰিলে। ১৪সেই পুত্ৰৰ দ্বাৰাই হে আমি মুক্তি পালো অৰ্থাৎ পাপৰ ক্ষমা পালো।

### খ্ৰীষ্টৰ দৰ্শনত, ঈশ্বৰৰ দৰ্শন

১৫তেৱেঁই অদৃশ্য ঈশ্বৰৰ দৃশ্যৰূপ। তেওঁ সকলো সৃষ্টিৰ প্ৰথমজাত। ১৬কিয়নো স্বৰ্গত আৰু পৃথিৱীত যি যি আছে সকলো তেওঁৰ শক্তিতেই উৎপন্ন হৈছে।

দৃশ্য বস্তুৰেই হওক বা অদৃশ্য বস্তুৰেই হওক,
সিংহাসনেই হওক বা অধিপত্যই হওক,
শাসন কৰ্ত্তাই হওক বা অধিকাৰীয়েই হওক।
সকলোৱেই তেওঁৰ দ্বাৰাই আৰু তেওঁৰ বাবেই সৃষ্ট কৰা হ'ল।

১৭সকলোৱে পূৰ্বে তেওঁ অস্তিত্ব আছিল, তেওঁৰ শক্তিৰেহে সকলো বস্তু সৃষ্ট হ'ল।

১৮এই শৰীৰ, অৰ্থাৎ মণ্ডলীৰূপ শৰীৰৰ মূৰ স্বৰূপ। তেঁৱেই আদি আৰু মৃতবিলাকৰ মাজৰ পৰা প্ৰথমজাত যাতে প্ৰতিটো বিষয়তে তেওঁ প্ৰথম স্থান পায়। ১৯কিয়নো নিজৰ শক্তিৰে সৈতে তেওঁৰ বাস কৰিব বিচাৰে। ২০যি সকলো পৃথিৱীত আৰু স্বৰ্গত আছে সেই সকলোকে তেওঁৰ দ্বাৰাই সমস্ত বহ্মাণ্ডক ঈশ্বৰে নিজৰ লগত সংযুক্ত কৰিবলৈ ভাল দেখিলে। যি তেজ খ্ৰীষ্টই ক্ৰুচত বোৱালে সেই তেজৰ দ্বাৰাই ঈশ্বৰে মিলন কৰালে। ২১এটা সময় আছিল, যেতিয়া তোমালোকে নিজৰ বিচাৰ আৰু দুষ্কৰ্মৰ বাবে ঈশ্বৰৰ অপৰিশ্চিত আৰু আৰু তেওঁ বিৰুদ্ধী আছিলা। ২২কিন্তু এতিয়া খ্ৰীষ্টৰ মাংসময় শৰীৰৰ মৃত্যুৰ দ্বাৰা ঈশ্বৰে তোমালোকক নিজৰ ওচৰ কৰি ললে, যাতে তোমালোকো পবিত্ৰ, নিষ্কলঙ্ক আৰু নিৰ্দ্দোষী কৰি তেওঁৰ সাক্ষ্যাতে উপস্থিত কৰাব পাৰে। ২৩সেয়ে তেতিয়াহে হব যেতিয়া তোমালোকে নিজ বিশ্বাসত অটল হৈ থাকিবা আৰু শুভবাৰ্তাৰ দ্বাৰাই দিয়া যি আশা তোমালোকে শুনিলা তাক পৰিত্যাগ নকৰিবা। আকাশৰ তলৰ সকলো প্ৰাণীকে সেই উপদেশ দিয়া হ'ল আৰু মই পৌল সেই শুভবাৰ্তাৰ সেৱক হও।

### মণ্ডলীৰ বাবে পৌলৰ কৰ্ম

২৪এতিয়া চোৱা, মই তোমালোকৰ বাবে যি কষ্ট কৰিছো, তাত আনন্দ অনুভৱ কৰিছো আৰু তেওঁৰ শৰীৰ, অৰ্থাৎ মণ্ডলীৰ বাবে খ্ৰীষ্টৰ যান্ত্ৰনা বিলাকৰ যি অৱশিষ্ট ৰৈ গ'ল তাক মোৰ মাংসত পুৰা কৰিছো।

২৫ঈশ্বৰে তোমালোকৰ লাভৰ বাবে যি আদেশ মোক দিলে, সেই অনুসৰি মই ইয়াৰ এজন সেৱক হৈছো, যাতে মই ঈশ্বৰৰ বাক্য সম্পৰ্ণৰূপে প্ৰচাৰ কৰো। ২৬এই বাক্যই হৈছে নিগৃঢ় সত্য। যি আনাদি কালৰ পৰা গুপ্ত হৈ আছিল। কিন্তু এতিয়া ইয়াক ঈশ্বৰৰ দ্বাৰা পবিত্ৰ বিলাকৰ মাজত প্ৰকাশ কৰিলে। ২৭এই নিগৃঢ় সত্য কিমান প্ৰতপত্তিশীল তাক ঈশ্বৰে আৰু এই নিগৃঢ় সত্য এইয়ে যে খ্ৰীষ্টই তোমালোকৰ অন্তৰৰ নিবাস কৰে আৰু ঈশ্বৰৰ মহিমা প্ৰাপ্ত কৰিবৰ বাবে তেৱেঁই আমাৰ একমাত্ৰ আশা। ২৮আমি যি জ্ঞা লাভ কৰিলো সেই সকলো ব্যৱহাৰ কৰি আমি সকলোকে আদেশ আৰু শিক্ষা প্ৰদান কৰো যাতে আমি সেই খ্ৰীষ্টত এক পৰিপূৰ্ণ ব্যক্তি কৰি ঈশ্বৰৰ আগত উপস্থিত কৰাব

পাৰো। সকলো জ্ঞানেৰে আমি সকলো মানুহকে চেতনা
দিছো আৰু নিজৰ সকলো বুদ্ধিৰে প্ৰত্যেক ব্যক্তিকে শিক্ষা
দিছো যাতো সকলো ব্যক্তিকে খ্ৰীষ্টত পৰিপূৰ্ণ কৰি ঈশ্বৰৰ
আগত উপস্থিত কৰিব পাৰো। ২৯তাৰ বাবে যি শক্তিৰে মোত
কাৰ্য্য কৰি আছে সেই পৰাক্ৰম শক্তিৰে সংঘৰ্ষ কৰি কঠোৰ
পৰিশ্ৰম কৰিছোঁ।

২ ১মই তোমালোকৰ আৰু লায় দি কেয়াত থকা সকলৰ
বাবে আৰু সেই সকলৰ বাবে যি সকলে মোৰ মুখ
দেখা নাই তেওঁবিলাকৰ বাবেও কিমান কঠোৰ পৰিশ্ৰম
কৰিছো তাক তোমালোকে জনাটো মই বিছাৰিছো। ২যাতে
তেওঁলোকৰ হৃদয়ে যেন উশ্বাহ পায় আৰু ঈশ্বৰৰ প্ৰেমত
বৃদ্ধি হোৱাৰ লগতে বিশ্বাসপূৰ্ণ সত্য জ্ঞানেৰে যেন পৰিপূৰ্ণ
হয় আৰু ঈশ্বৰৰ নিগুঢ়-তত্ব অৰ্থাৎ খ্ৰীষ্টক যেন জানিব
পাৰে। ৩সেই খ্ৰীষ্টেই সকলো আৰু জ্ঞানৰ সকলো ধন গুপ্ত
হৈ আছে। ৪তোমালোকক যেন কোনেও মিঠা মিঠা কথাৰে
নুভূলাই সেইয়ে মই এই কথা কৈছো। ৫যদিও মই শাৰীৰিক
ৰূপে তোমালোকৰ মাজত নাই তথাপিও আত্মিকৰূপে
তোমালোকৰ লগত আছো। মই তোমালোকৰ জীৱনৰ
অনুশাসন আৰু খ্ৰীষ্টত তোমালোকৰ বিশ্বাসৰ দৃঢতাক দেখি
আনন্দিত হৈছো।

## খ্ৰীষ্টত লাগি থাকা

৬তোমালোকে যেনেকৈ যীচুক অৰ্থাৎ খ্ৰীষ্টক প্ৰভূ ৰূপে
গ্ৰহণ কৰিলা, তেনেকৈ তেওঁতেই লাগি থাকা । ৭তেওঁতেই
শিপা ধৰি আৰু তেওঁতেই গাঁথা হৈ বিশ্বাসত দৃঢ় হোৱা।
ঈশ্বৰৰ প্ৰতি ধন্যবাদত উপচি পৰা। ৮কোনেও যেন
তোমালোকক জাগতিক কথাৰে আৰু প্ৰৱঞ্চনাৰ দ্বাৰাই
ফুচুলাই নিনিয়ে তাৰ প্ৰতি সাৱধান হবা, সেইবোৰ মানুহৰ
মুখে মুখে বাগৰি অহা প্ৰবচন আৰু জগতৰ প্ৰাথমিক বিধিৰ
অনুৰূপ খ্ৰীষ্টৰ অনুৰূপ নহয়। ৯কিয়নো তেওঁতেই ঈশ্বৰত্বৰ
সকলো সম্পূৰ্ণতা শাৰীৰিকৰূপে নিবাস কৰে। ১০তোমালোক
তেওঁতেই স্থিৰ হৈ পৰিপূৰ্ণ হৈছা। তেওঁ সকলো অধিপতি
আৰু ক্ষমতাৰ মূৰ। ১১তেওঁতেই তোমালোক চুন্নৎ হলা।
এই চুন্নৎ কোনো মানুহৰ হাতেৰে সম্পৰ্ণ হোৱা নাই, কিন্তু
যেতিয়া তোমালোকক মাংসময় পাপপূৰ্ণ প্ৰভাৱ পৰা মুক্ত
কৰা হ'ল তেতিয়া খ্ৰীষ্টৰ দ্বাৰাইহে ইয়াক সম্পৰ্ণ কৰা হ'ল।
১২এই কাৰণে তোমালোক বাপ্তিষ্ম দ্বাৰাই তেঁৱে সৈতে
মৈদামত থোৱা হলা যিহতে যিজনে ঈশ্বৰে তেওঁক মৃত
বিলাকৰ মাজৰ পৰা জীয়াই তোলালে, সেই ঈশ্বৰৰ কাৰ্য্যত
বিশ্বাস কৰা কাৰণে তেঁৱে সৈতে তোমালোককো পুনৰ
জীয়াই তোলা হ'ল। ১৩তোমালোক পাপত আৰু মাংসময়
শাৰীৰিক চুন্নতেৰে মৃত আছিলা, কিন্তু তোমালোকক
ঈশ্বৰে খ্ৰীষ্টৰ সৈতে জীৱন দিলে, বাস্তৱিক তেঁৱেই ।
আমাৰ সকলো পাপ ক্ষমা কৰিলে। ১৪যি বিলাক বিধি আমাৰ
প্ৰতিকুলে আৰু বিপক্ষে আছিল সেই হাতে লিখা বিধি স্বৰূপা
আজ্ঞাসমূহ ঈশ্বৰে আমাৰ পৰা দূৰ কৰিলে আৰু গজাল
মাৰি ক্ৰুচত লগাই মচি পেলালে। ১৫ঈশ্বৰে ক্ৰুচৰ দ্বাৰাই
আধ্যাত্মিক শাসক আৰু অধিকাৰীবোৰৰ ওপৰত জয়যুক্ত হৈ
সেইবোৰক নিন্দাৰ পাত্ৰ কৰি প্ৰকাশকৈ দেখুৱালে।

## মানুহৰ শিক্ষা আৰু মানুহে বনোৱা নিয়মত নচলিবা

১৬এই হেতুকে খোৱা বা পান কৰা বা উৎসৱ পাৱন জোনৰ
পৰ্ব বা বিশ্ৰামবাৰৰ বিষয়ে কোনেও তোমালোকক সোধ
বিচাৰ নকৰক। ১৭এই সকলো বিলাক কথা কেৱল ভাৱী
বিষয়ৰ ছাঁ মাথোন। কিন্তু সেই ছাঁৰ বাস্তৱিক শৰীৰ খ্ৰীষ্টৰহে
হয়। ১৮যি ব্যক্তিয়ে নিজৰ নম্ৰতাত আৰু স্বগদুত বিলাকৰ
সেৱা কাৰ্য্যত লাগি থাকি বিভিন্ন দৰ্শন কথাত নিজৰ
মাংসময় মনৰ কথাত বৃথা গৰ্বিত এনে কোনোজনৰ দ্বাৰাই
নিজৰ বঁটাৰ পৰা বঞ্চিত হবলৈ নিদিবা।
১৯সিহঁতে নিজকে খ্ৰীষ্টৰ অধিন ৰাখিব নিবিচাৰে আৰু
দৃঢ়ৰূপে সংযুক্ত হোৱা গোটেই শৰীৰ যি জনাৰ পৰা ঐশ্বৰিক
বৃদ্ধি পাই বাঢ়িছে সেইমূৰ অৱলম্বন নকৰে। ২০কিয়নো
তোমালোক খ্ৰীষ্টৰ সৈতে মৰিল আৰু তোমালোক জগতৰ
প্ৰাথমিক বিধিৰ পৰা উদ্ধাৰ পালা তেন্তে জগতৰ লোকৰ
দৰে কিয় সেই বিধিবোৰ পালন কৰিছা। ২১সেইবোৰ নধৰিবা,
নুচুবা, নাচাকিবা, কিয় জগতত জীলন যাপন কৰাৰ দৰে
সেইবোৰৰ বশীভূত হৈছা? ২২এই সকলোবোৰ ক্ষয়
পাবৰ নিমিত্তেহে হৈছে। এই সকলো ৰীতি-নীতি পালন
কৰি তোমালোকে কেৱল মনুহে বনোৱা ৰীতি নীতি আৰু
শিক্ষাহে পালন কৰিছা। ২৩নিজ ইচ্ছাৰ ভজনা আৰু
নিজশৰীৰক প্ৰতাৰিত কৰি দুখ দিয়া এইবোৰৰ নিয়ম বুদ্ধিৰ
ওপৰত আধাৰিত বাস্তৱৰূপে সেইবোৰৰ কোনো নিয়ম নাই,
মাংসৰ অবিলাষ দসন কৰিবলৈ একো সাৰ্থক নহয়।

## খ্ৰীষ্টত নতুন জীৱন

৩ ১কিয়নো তোমালোকক যদি খ্ৰীষ্টৰ লগত মৃত
বিলাকৰ মাজৰ পৰা উঠুউৱা হল তেন্তে স্বগত
ঈশ্বৰৰ সোঁহাতে যি ঠাইত খ্ৰীষ্ট বহি আছে ওপৰত থকা
সেই বস্তুবিলাকৰ কথা ভাবিবা। ২স্বৰ্গত থকা বস্তুবিলাকৰ
সমন্ধেহে কেৱল ভাবিবা জাগতিক বস্তুবিলাকৰ কথা
নাভাবিবা। ৩কিয়নো তোমালোকৰ পুৰণি ব্যক্তিত্বৰ মৃত্যু
হ'ল আৰু এতিয়া তোমালোকৰ জীৱন খ্ৰীষ্টৰ সৈতে ঈশ্বৰত
লুকাই আছে। ৪যেতিয়া আমাৰ জীৱনস্বৰূপ খ্ৰীষ্টত প্ৰকাশিত
হ'ব তেতিয়া তোমালোকো তেওঁৰ লগত মহিমাৰে
সৈতে প্ৰকাশিত হবা। ৫এই হেতুকে তোমালোকত যি
যি সাংসাৰিক কথাবোৰ আছে সেই সকলোবোৰ মাৰি
পেলাৱা। ব্যভিচাৰ, অপবিত্ৰতা, কামভাব, বেয়া ইচ্ছা
আৰু লোভ যিবোৰ মুৰ্তি পূজাৰ এক ৰূপ হয়। ৬এই কথা
বিলাকৰ বাবে ঈশ্বৰৰ ক্ৰোধ প্ৰকাশিত হয়।[a] ৭এটা সময়য়ত
তোমালোকেও তেনে কৰ্ম কৰি সেইদৰেই জীয়াই আছিলা।
৮কিন্তু এতিয়া তোমালোকে সেই সকলো কথাৰ লগতে
ক্ৰোধ, খং, শক্ৰুতা, নিন্দা ভাৱ আৰু মুখৰ পৰা ওলোৱা

[a] **৩:৬ পদ ৬** কিছুমান গ্ৰীক প্ৰতিলিপিত এই শব্দ যোগ কৰা হৈছে, "তেওঁলোকলৈ যিবিলাকে আজ্ঞা পালন নকৰে।"

অৱচনীয় বচন আদিৰ পৰা উদ্ধাৰ পাব লাগে। ৯নিজৰ পুৰণা ব্যক্তিত্বক তাৰ কৰ্মৰ সৈতে ফটা বস্তু স্বৰূপে সোলোকাই পেলালা। ১০নতুন ব্যক্তিত্বক পিন্ধিলা যি নতুন ব্যক্তিত্ব নিজ সৃষ্টিকৰ্তাৰ প্ৰতিমূতৰ্ত্তিৰ দৰে, তত্ব জ্ঞানত নিৰন্তৰে নতুন হব লাগিছে। ১১ফলস্বৰূপে ইয়াতে যিহূদী বা গ্ৰীক, চুন্নৎ বা অচুন্নত, অসত্য লোক বৰ্বৰতা, [a] দাস বা স্বাধীন এইবোৰ আৰু হবই নোৱাৰে, খ্ৰীষ্টই সকলোতে সৰ্বেসৰ্বা আৰু সকলো বিশ্বাসী লোকতে তেওঁৰ নিবাস কৰে।

### তোমালোকৰ নতুন জীৱন পৰস্পৰৰ বাবে

১২কিয়নো তোমালোক ঈশ্বৰৰ মনোনীত পবিত্ৰ আৰু প্ৰিয় লোক হোৱা এই হেতুকে সহানুভূতি, দয়া, নম্ৰতা, মৃদুতা আৰু চিৰসহিষ্ণুতা এই সকেলাকে পিন্ধা। ১৩তোমালোকৰ মাজত যদি কোনোজনৰ প্ৰতি কিবা বিৰুদ্ধ ভাৱ থাকে, তেন্তে ইজনে সিজনৰ প্ৰতি সহনশীল হোৱা আৰু পৰস্পৰে ক্ষমা কৰিবা। ঈশ্বৰে যেনেকৈ বিনা মূল্যে ক্ষমা কৰিলে তেনেকৈ তোমালোকেও নিজৰ মাজত ক্ষমা দিব লাগে। ১৪এই সকলো ওপৰত প্ৰেমক ধাৰণ কৰা। প্ৰেমেই সকলো পৰিপূৰ্ণতাৰ বান্ধোন। ১৫খ্ৰীষ্টৰ [b] পৰা পোৱা শান্তিৰে তোমালোকৰ হৃদয়ক কতৃৰ্ত্ব কৰক। এই কাৰণেই তোমালোক এক শৰীৰত আমন্ত্ৰিত হলা। সদায় ধন্যবাদ কৰি থাকিবা। ১৬নিজ সম্পূৰ্ণতাৰ সৈতে খ্ৰীষ্টৰ বাক্য তোমালোকত বাস কৰক। ধৰ্মগীত, স্তুতিগীত আৰু আত্মাৰে গীত গাই জ্ঞানৰ কথাৰে ইজনে সিজন শিক্ষা আৰু চেতনা দিয়া। ঈশ্বৰৰ উদ্দেশ্যে ধন্যবাদেৰে গীত গোৱা। ১৭আৰু তোমালোকে যি যি কৰা বা কোৱা সকলো প্ৰভূ যীচুৰ নামত কৰা। তাৰ দ্বাৰাই সকলো সময়তে তোমালোকে পিতৃ ঈশ্বৰক ধন্যবাদ কৰা।

### নতুন জীৱনৰ নিয়ম

১৮হে পত্নীবিলাক, নিজা স্বামীৰ প্ৰতি এনেদৰে সমপিত হোৱা যিদৰে প্ৰভূৰ অনুকাৰী হিচাপে শোভা পায়। ১৯হে স্বামীবিলাক, নিজ নিজ পত্নীক প্ৰেম কৰা, তেওঁবিলাকলৈ কঠোৰ ব্যৱহাৰ নকৰিবা। ২০হে সন্তান বিলাক সকলো বিষয়তে নিজ নিজ পিতৃ-মাতৃৰ আজ্ঞাধীন হোৱা কিয়নো তেনে ব্যৱহাৰ প্ৰভূৰ সন্তোষজনক। ২১হে পিতৃবিলাক, নিজ নিজ সন্তানবিলাকক কেচকেচাই নাথাকিবা। এনেকুৱা নকৰিবা কিজানি তেওঁবিলাকে যত্ন কৰিবলৈকে এৰি দিব পাৰে। ২২হে দাস বিলাক তোমালোক জগতৰ প্ৰভূ বিলাকৰ সকলো কথাকে পালন কৰা। কেৱল মানুহক সন্তুষ্ট কৰিবলৈ তেওঁ চাই থাকোতেহে কৰোতা নাই সত্য ভাবেৰে তাক কৰা । কিয়নো তোমালোকে প্ৰভূৰ লোক হোৱা। ২৩তোমালোকে যি যি কৰা সমস্ত মনেৰে সৈতে কৰা। মানুহৰ উদ্দেশ্য কৰিছো বুলি নাভাবি প্ৰভূৰ উদ্দেশেহে কৰিছো বুলি মানিবা। ২৪তোমালোকে প্ৰভূৰ পৰা উত্তৰাধিকাৰৰ ফল পাম বুলি মনত জানি প্ৰভূৰ উদ্দেশে দাস্য কৰ্ম কৰা।

২৫কিয়নো যি জনে বেয়া কৰ্ম কৰিব তেওঁ তাৰ উচিত প্ৰতিফল পাব আৰু তাত কোনো পক্ষপাত নাই।

**৪** ১হে প্ৰভূ বিলাক, তোমালোকে নিজ দাস বিলাকৰ যি প্ৰাপ্য আৰু ন্যায় তাক দিয়া। মনত ৰাখিবা স্বৰ্গত তোমালোকৰো এজন প্ৰভূ আছে।

### বিশ্বাসীবিলাকলৈ পৌলৰ উপদেশ

২প্ৰাৰ্থনাত সদায় লাগি থাকিবা। যেতিয়া তোমালোকে প্ৰাৰ্থনা কৰা সদায় ধন্যবাদ কৰিবা। ৩লগতে আমাৰ বাবেও প্ৰাৰ্থনা কৰিবা যাতে ঈশ্বৰে তেওঁৰ বাক্য প্ৰচাৰ কৰিবলৈ আৰু খ্ৰীষ্টৰ নিগূঢ় তত্ব সত্য বাক্যসমূহ নিশ্চয়কৈ প্ৰকাশ কৰিবৰ বাবে মোক সহায় কৰে। কিয়নো ইয়াৰ বাবেই মই বন্দী হৈ আছো। ৪যি দৰে মই প্ৰকাশ কৰিব লাগে সেইদৰে যেন স্পষ্টৰূপে প্ৰকাশ কৰিব পাৰো তাৰ বাবে প্ৰাৰ্থনা কৰিবা। ৫বাহিৰা লোকলৈ জ্ঞানেৰে আচৰণ কৰিবা । প্ৰতিটো সময়কে সম্পৰ্ণ সৎ ব্যৱহাৰ কৰিবা। ৬তোমালোকৰ কথা বতৰা সদায় আস্বাদযুক্ত হওক আৰু কাক কি দৰে উত্তৰ দিব লাগে তাক জানিব বাবে তোমালোকৰ আলাপ অনুগ্ৰহ যুক্ত হওক।

### পৌল সহকমী সকলৰ সংবাদ

৭আমাৰ প্ৰিয় বন্ধু, বিশ্বাসী সেৱক তথা প্ৰভূত সহ দাস থাকিলে তোমালোকক মোৰ বিষয়ে জনাব। ৮মই তেওঁক তোমালোকৰ তালৈ এই বাবেই পঠাইছোঁ যাতে আমাৰ বিষয়ে তোমালোকে জানিব পাৰা আৰু তেওঁ যেন তোমালোকৰ হৃদয়ক উৎসাহিত কৰে। ৯মই তোমালোকৰ তাৰ মোৰ বিশ্বাসী তথা প্ৰিয় বন্ধু ওনীচিমকো তেওঁৰ লগত পঠালোঁ। তেওঁলোকে ইয়াত ঘটা সকেলা ঘটনা তোমালোকক জনাব।

১০বন্দীশালত মোৰ লগত থকা আৰিষ্টাৰ্থ আৰু বাৰ্ণব্বাৰ বন্ধু মাৰ্কে তোমালোকক মঙ্গলবাদ কৰিছে, (এও বিষয়ে তোমালোকে আদেশ পালা, যদি এও তোমালোকৰ তালৈ আছে তেন্তে তেওঁক গ্ৰহণ কৰিবা) ১১যুষ্ট বোলা যীচুৱেও তোমালোকক মঙ্গলবাদ কৰিছো। যিহুদী বিশ্বাসীসকলৰ মাজৰ তেওঁহে কেৱল ঈশ্বৰৰ ৰাজ্যৰ বাবে মোৰ লগত কাম কৰি আছে। এওঁলোক মোৰ বাবে আনন্দৰ বিষয় হ'ল। ১২খ্ৰীষ্টৰ সেৱক তোমালোকৰ তাৰ ইপাফ্ৰায়ো তোমালোকক মঙ্গলবাদ কৰিছো। তেওঁ সদায় প্ৰাৰ্থনাৰে প্ৰাণপন কৰিছে যাতে তোমালোক আধ্যাত্মিকভাৱে সম্পূৰ্ণ ৰূপে বিকাশ হব পাৰা আৰু বিশ্বাস পূৰ্বক ঈশ্বৰৰ ইচ্ছাচ সিদ্ধ হৈ থাকিব পাৰা। ১৩তেওঁ তোমালোকৰ বাবে আৰু লায়দেকিয়া তথা হিয়ৰা পলিত থকা সকলৰ বাবে সদায় বৰ পৰিশ্ৰম কৰিছে, মই তাৰ সাক্ষী আছো। ১৪প্ৰিয়

[a] **৩:১১ বৰ্বৰতা** শব্দৰ স্কুথীয়া, এই লোকবিলাক বহুত হিংসুক আৰু অসভ্য বুলি জনা যায়।

[b] **৩:১৫ খ্ৰীষ্টৰ** দেহ আত্মিক শৰীৰ অৰ্থাত তেওঁৰ মণ্ডলী বা তেওঁৰ লোকবিলাক।

চিকিৎসক লুক আৰু দীমায়ো তোমালোকক মঙ্গলবাদ
কৰিছে৷ ১৫লয়দিকীয়াত থকা ভাই বিলাকক আৰু নুম্ফাক
আৰু তেওঁৰ ঘৰত গোট খোৱা মণ্ডলীক মঙ্গলবাদ দিবা৷
১৬আৰু চোৱা এই পত্ৰ তোমালোকৰ তাত পাঠ কৰা হলে,
লায়দিকীয়াটো যেন মোৰ যি পত্ৰ তোমালোক লয়দিকীয়ায়া
পৰা পাবা তাক তোমালোকেও পঢ়িবা। ১৭অগ্ৰিপ্পাৰ এই কথা
কবা যে যি পৰিচৰ্যাৰবাব তেওঁক দিয়া হল তাক যেন তেওঁ
নিশ্চয়তাৰে সিদ্ধ কৰে৷ ১৮মই পৌলৈ নিজ হাতেৰে লিখি
এই মঙ্গলবাদ জনালো৷ মই বন্ধীশালত আছো তাক সোঁৱৰণ
কৰিবা৷ ঈশ্বৰৰ অনুগ্ৰহ তোমালোকৰ লগত থাকক৷